দেওবৰীয়া দৈনিক
অগ্ৰদূত

আধ্যাত্মিক চেতনাৰে ৰঞ্জিত পৱিত্ৰ ভাদ মাহ

প্ৰাঞ্জল বৰদলৈ

সৃষ্টিৰ থাপনাত কৃষ্টিৰ অঞ্জলি যাচি মানৱ সমাজে আনন্দৰ কাঞ্চনজঙ্ঘা বগাই মহানন্দ লাভ কৰে। প্ৰকৃতি ৰাজ্যৰ চিৰন্তন নিয়ম সমূহো তাহানি দিনৰে পৰা নিজা-নিজা কক্ষপথেৰে অৱতৰণ কৰি নিজৰ 'নাম'ৰ সুঘ্ৰাণ সমাজলৈ বিলাই দি নিজে মহীয়ান হোৱাৰ উপৰিও আনকো মহীয়ান কৰি ৰাখে। আমাৰ ছয় ঋতু — গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত আৰু শীত-বসন্তই যিদৰে নিজা নামৰ 'অৰ্থ' আৰু 'অস্তিত্ব' দাঙি ধৰি যাৰ যি কৰণীয় কৰি আহিছে ঠিক একে গতিৰেই আমাৰ ব'হাগ মাহৰ পৰা চ'ত মাহলৈকে এই 12 মাহেও নিজৰ সৌন্দৰ্য্য আৰু বৈভৱেৰে চিৰবন্দিত।

সদ্যস্নাতা প্ৰকৃতিৰ হিমে ধোৱা শৰতৰ সুন্দৰ এই সময়খিনিৰ প্ৰাক মুহূৰ্তত ভাদ মাহে আমালৈ কঢ়িয়াই আনে অনাবিল আনন্দৰ মধুৰ প্ৰশান্তি। ভাদ মাহ! নামটো মনলৈ আহিলেই দুচকুত অতৰ্কিতে দোলা দি উঠে মহা-মহা পুৰুষৰ পদৰেণুৰে ৰঞ্জিত ভাদ মাহৰ মোহনীয় স্মৃতি। গাঁও, চহৰ, নগৰ সকলোতে ঈশ্বৰৰ বন্দনাই অসমৰ আকাশ-বতাহ সৰ্বত্ৰতে ভক্তি প্ৰেমৰ নিজৰা বোৱায় সৰু-বৰ সকলোৰে হৃদয়তন্ত্ৰীত ভাদ মাহে সৃষ্টি কৰে এক বিশাল আধ্যাত্মিকতাবাদৰ। কাৰণ ভক্তি প্ৰেমৰ ৰসেৰে ৰসাল আৰু জীপাল ভাদ মাহৰ কথা মনলৈ আহিলেই মনত প্ৰতিভাত হয় 567 বছৰ পূৰ্বে এই ভূমিৰ অথন্তৰৰ কালত, দুষ্কৃতিয়ে কোঙা কৰাৰ দুঃসময়ত কৃষ্টি ৰক্ষাৰ ৰক্ষাকবচ ৰূপে জন্ম লাভ কৰিছিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱে। যাৰ মহান অৱদানেৰে ভাদ মাহৰ গৌৰৱোজ্বল সংস্কৃতিৰ উজ্বল আদৰ্শবাদেৰে আমি বৰ্তমানো ঐক্যবদ্ধ হৈ আছো। জাতিৰ জনক শংকৰ-মাধৱ দুয়োগৰাকী মহাপুৰুষৰ তিথি মহোৎসৱ মিলিছে ভাদ মাহতে। তাৎপৰ্যপূৰ্ণ বিষয় এয়ে যে অসম ভূমিত বিশৃংখল সময়ৰ সন্ধিক্ষণত জাতিৰ মান আৰু ঐতিহ্য ৰক্ষাৰ্থে জন্ম লাভ কৰা মহাপুৰুষ দুজনাৰ উপৰিও অমানিশা নাশি পৃথিৱী পোহৰাই তুলিবলৈ ভাদ মাহতে শ্ৰীকৃষ্ণৰো জন্ম হৈছিল। এই মাহত সূৰ্য উত্তৰৰ পৰা দক্ষিণলৈ গতি কৰে। সেয়ে ভাদ মাহৰ পৰাই ভাৰতত এন্ধাৰৰ মাত্ৰা বাঢ়িবলৈ ধৰে। গতিকে এন্ধাৰ নাশ কৰাৰ বাবে পোহৰৰ প্ৰয়োজন, অশুভ শক্তিৰ প্ৰতীক অন্ধকাৰ নাশৰ বাবে ভাদ মাহৰে কৃষ্ণাষ্টমীৰ জয়ন্তী যুগত জন্ম হৈছিল— ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ প্ৰতীক ভগৱান শ্ৰীকৃষ্ণৰ। জগতৰ নিয়ন্তা পূৰ্ণব্ৰহ্ম কৃষ্ণৰ জন্ম উপলক্ষে ভাদ মাহ কিমান পবিত্ৰ আৰু মহত্বপূৰ্ণ তাৰ প্ৰমাণ ভাগৱত পুৰাণ, বিষ্ণুপুৰাণ, পদ্ম পুৰাণ আদি শাস্ত্ৰত সুন্দৰভাৱে বৰ্ণিত আছে। ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ প্ৰতীক বাবেই ভাদ মাহত অসমতে নহয়, গোটেই ভাৰততে অতি ভক্তিপূৰ্ণভাৱে কৃষ্ণৰ জন্মোৎসৱ পালন কৰা হয়। ভগৱানৰ নাম কীৰ্তনৰ মাজত শংকৰদেৱৰ নাম সোমাই পৰাৰ অৰ্থ এয়ে যে পৰম পুৰুষ শ্ৰীকৃষ্ণৰ চৰণ বন্দনা কৰাৰ পথ দেখুৱাই নৱ সমাজক উদ্ধাৰ কৰিলে শংকৰদেৱেই। শংকৰৰ বিশাল বৰ্ণাঢ্য জীৱন, মাধৱৰ গৰিমা আৰু কীৰ্তিয়ে অসমীয়া ভাষা-সাহিত্য, কৃষ্টি-সংস্কৃতিৰ বৰ ঘৰখনক সদায়ে উজ্জীৱিত কৰি ৰাখিব। মহাপুৰুষ দুজনাৰ পবিত্ৰতম তিথিয়ে ভাদ মাহক সদায়ে এক সুকীয়া মাত্ৰা প্ৰদান কৰি থাকিব। ঘৰে-ঘৰে অথচ নামঘৰে নামঘৰেও সমগ্ৰ মাহটো খোল, তাল, নেগেৰা, দবা, কাহ, শঙ্খ আদিৰ ধ্বনিত মুখৰিত হয় চৌদিশ। ধূপ-ধূনাৰ সুৱাসিত সুঘ্ৰাণে মন আৰু হৃদয়ত সৃষ্টি কৰা অনন্য উল্লাসে সকলোকে আধ্যাত্মিক চেতনাৰ উন্মেষ ঘটাই ঈশ্বৰ ভক্তিৰ প্ৰতি আকৰ্ষণ কৰে। মুঠতে আকাশত হৰিনাম, বতাহত হৰিনাম, শিশুৰ মুখতো আনকি হৰি নামৰ সুৰে ৰজনজনাই থকা ভাদ মাহত সৰ্বস্তৰতে ৰোল উঠে "হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে প্ৰেম অমৃতৰ নদী শ্ৰীমন্ত শংকৰে পাৰ ভাঙি দিলে বহে ব্ৰহ্মাণ্ডক ভেদি।"

হৰি নাম ধৰ্মৰ বন্দনাৰে আকাশ-বতাহ মুখৰিত হৈ থকা ভাদ মাহে আমাৰ মানস ৰাজ্যত সৃষ্টি কৰে আধ্যাত্মিক চেতনাৰ। দিন-ৰাতি একাকাৰ কৰি নামঘৰে নামঘৰে ৰজনজনাই থকা হৰি নামৰ পৰাণ যোৱোৱা অমিয়া শব্দ-সুৰে প্ৰতি নামঘৰকে কৰি তোলে এক পবিত্ৰ তীৰ্থস্থান। মহান এই তীৰ্থস্থানলৈ যেতিয়া বৃদ্ধজনৰ উপৰিও ডেকা-গাভৰুকো হৰি নামৰ ধ্বনিৰে হাত বাউলি মাতে সেই দৃশ্য কিমান মনোমোহা হয় সেয়া নেদেখিলে বৰ্ণনাৰো কঠিন। এনে সুমধুৰ সোণসেৰীয়া ঐতিহ্যত মাজে মাজে বিজুটি ঘটা বুলি ভাবিবলৈকে ভয় লাগিলেও বৰ্তমান সময়ত তেনে এক অমঙ্গলীয়া চিন্তা-ভাৱনাইও প্ৰায়েই মনৰ মাজত বিভীষিকাৰ সৃষ্টি কৰে। বিশ্বায়নৰ ফলতেই যদি আমি এনে দুৰ্ভাৱনাৰ মুখামুখি হৈছো বুলি ভাবো তেনেহ'লে আমাৰ বাবে হ'ব পাৰে ইও এক ধ্বংসমুখী প্ৰৱণতা। পূৰ্বৰ তুলনাত আজিৰ তাৰিখত নামঘৰৰ প্ৰতি যুৱ চামটোৰ অনিহা দেখা গৈছে নেকি? একে সময়তেই যদি সৌ সিদিনালৈকে ব'লেব'মৰ প্ৰতি যুৱ সমাজখনৰ গৰিষ্ঠ সংখ্যকৰে মন উদ্বাউল হৈছিল বা হোৱা দেখা গৈছিল কিন্তু তাৰ তুলনাত নামঘৰৰ প্ৰতি সেই দৃশ্য আজি ক্ৰমাৎ হ্ৰাস পোৱা পৰিলক্ষিত হৈছে নেকি..! কথাবোৰৰ প্ৰাসঙ্গিকতা কিম্বা গুৰুত্ব অৱশ্যেই চিন্তনীয়।

নামঘৰৰ কীৰ্তনঘৰত জ্বলি থকা বন্তিগছিৰ উত্তাপ আমি হৃদয়ঙ্গম কৰিব পৰাকৈ সচেষ্ট হ'ব পাৰিব লাগিব। নামঘৰত বাজি থকা দবা, কাহ, শঙ্খৰ প্ৰতিধ্বনীয়ে আমাৰ হৃদয় ৰাজ্যত ধ্বনি তুলিব পাৰিব লাগিব। সংস্কৃতিৰ এই মহাযাত্ৰাই আমাৰ মন-প্ৰাণ স্পৰ্শ কৰি আমাৰ অন্তৰত প্ৰেম আৰু ভক্তিভাৱৰ উন্মেষ ঘটাই আমাক উদ্বুদ্ধ কৰিব পাৰিব লাগিব। অস্পৃশ্যতা, জাতিভেদ, জীৱ হিংসাৰ অৱসান ঘটাই সাম্যৰ আদৰ্শ প্ৰতিষ্ঠা কৰি আগুৱাই নিব পাৰিলে নতুন পুৰুষ নিশ্চয় পৰম উৎসাহেৰে উৎসাহিত হ'ব। গুৰুজনাই হৰি নাম অমৃতেৰে অসমভূমি প্লাৱিত কৰি মানুহৰ অন্তৰে অন্তৰে, হৃদয়ৰ ৰন্ধ্ৰে ৰন্ধ্ৰে হৰিনামৰ মহিমাৰ সোঁত বোৱাই দিয়াৰ দৰেই আমাৰ ভৱিষ্যত প্ৰজন্মক সুসংগঠিত ৰূপত গঢ় দি সুগম পথৰ সন্ধান দিব পাৰিলে ভাবিকালৰ নতুন পুৰুষ আগবাঢ়ি অহাৰ প্ৰশ্নই নাথাকিব।

হৰি নামৰ শ্ৰৱণ-কীৰ্তনেৰে বিধৌত হৈ থকা সেয়ে আমাৰ নামঘৰৰ অৱদানো অপাৰ। সামূহিকভাৱে হৰিনাম কীৰ্তন কৰা, গীত-মাত, ভাওনা-সবাহ আদি পৰিৱেশনৰ জৰিয়তে সকলোৰে সমিলমিলেৰে সংগবদ্ধ হৈ কাম সম্পাদন কৰা আদিৰ ক্ষেত্ৰত নামঘৰ উদ্ভাৱন গুৰুজনাৰে আন এটা বিশিষ্ট অৱদান। সকলোৰে সমভাৱে মিলি জুলি কাম কৰিব পৰাকৈ তেৰাই যি মন্দিৰ নিৰ্মাণ কৰি থৈ গ'ল তাৰ তুলনা নাই। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোকে আদৰি-সাদৰী লৈ গুৰুজনাই সৰগীয় সপোন দেখিছিল। সেই সপোন বছৰৰ বাৰ মাহেই নজহা-নপমাকৈ উজ্বলি থাকিলেও ভাদ মাহটোত যেন ইয়াৰ ঢল দুগুণে নামে। সকলোৰেই সমস্বৰে হৰিনামৰ বন্দনাত সৰ্বস্ব সঁপি দিয়ে। কোনো বিভেদগামী শক্তিয়ে যাতে ইয়াত আউল লগাব নোৱাৰে তাৰবাবে গুৰুজনাই গঢ়িব খুজিছিল সমন্বয়ৰ সৌধ। প্ৰসংগৰ আঁত ধৰি হয়তো ৰূপকোঁৱৰৰ ভাষাৰে ক'ব পাৰি—

"ময়েই খাছিয়া, মই জয়ন্তীয়া
ডফলা আবৰ অঁকা
ময়ে চিংফৌ ভৈয়ামৰ মিৰি
সোঁৱণসিৰীয়া ডেকা,

বিজয়ী আহোম কছাৰী কোঁচৰ
মেছৰ কুমাৰ মই ৰাজবংশী ৰাভা
কপালত জ্বলে শত গৌৰৱ আভা।
মই লালুং – চুটিয়া লুচাই মিকিৰ গাৰো,
মিছিমি-খামতি নগা আংগামী বীৰ,
পৰ্বতে-পাহাৰে জ্বলিছে উচ্চ শিৰ।।"

সঁচাকৈ, সমন্বয়ৰ কি অপূৰ্ব দৃষ্টান্ত। ভাদ মাহেও গুৰু বন্দনাৰ, ঈশ্বৰ বন্দনাৰ মেটমৰা সম্ভাৰ লৈ আমাৰ মন-প্ৰাণ উদ্দিপ্ত কৰি ৰাখে। আকাশৰ দৰে উদাৰ, সাগৰৰ দৰে বিশাল একোটা মন লৈ একান্তভাৱে হৰিত শৰণ লৈ তেওঁৰ নাম শ্ৰৱণ-কীৰ্তন কৰি ভাদ মাহটোত আমি জীৱ জগতৰ কল্যাণ সাধনৰ চিন্তা কৰো। গীতাত ভগৱানে কৈছে ঃ "সৰ্ব ধৰ্ম্মান্ পৰিতাজ্য মামেকং শৰণং ব্ৰজ।" বৈষ্ণৱ ধৰ্মৰো এয়ে মত ঃ "এক দেৱ, এক সেৱ, একত বিনে নাই কেও।" শ্ৰীমন্ত শঙ্কৰদেৱৰ মতে ঃ

'কুক্কুৰ, শৃগাল, গৰ্দ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।'

সকলোৰে প্ৰতি সহমৰ্মিতা, আন্তৰিক প্ৰেম, শ্ৰদ্ধা, দয়া, কৰুণাই তেওঁৰ ধৰ্মত গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছে। হিংসা, হত্যা, বিভেদৰ প্ৰাচীৰৰ কোনো স্থান নাছিল। যাৰ বাবে নগা, মিৰি, খাচী, গাৰো, যৱন সকলোৱে তেওঁৰ ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ গুৰুজনাৰ শিষ্যত্ব গ্ৰহণ কৰিছিল। আজি 567 বছৰৰ পিছতো গুৰুজনাৰ আদৰ্শৰে আগ্ৰহান্বিত হৈ তেওঁৰ গুণগ্ৰাহী, শুভাকাংক্ষী ভকত-বৈষ্ণৱসকলে নামধৰ্মৰ জৰিয়তে জীৱনৰ আনন্দ কিম্বা পৰম ব্ৰহ্মৰ সনাতন সৌন্দৰ্য লাভ কৰি সৰগীয় সুখ সঞ্চয় কৰিছে। ভাদ মাহক সেয়ে কোৱা হয় ভগৱান শ্ৰীকৃষ্ণ আৰু গুৰু দুজনাৰ স্মৰণৰ লগতে আধ্যাত্মিক ভাৱমণ্ডলেৰে পূৰ্ণ হৈ থকা ভাদ মাহটো হৈছে অসমীয়া জাতিৰ বাবেই আটাইতকৈ পৱিত্ৰতম সময়।

সময় গতিৰ ছন্দায়িত লহৰে যেনেকৈ পৰিৱৰ্তনৰ সাজ পিন্ধে ঠিক সেই একেদৰেই ব'হাগৰ ৰং-আনন্দ, আহিনৰ নিয়ৰ সিক্ত শেৱালি-দূবৰি, আঘোণৰ সোণালী ধাননি, মাঘৰ মেজিৰ জুই, ফাগুনৰ সুৰভি শীতল মলয়া জাকে ৰিঙা ৰিঙা মনত কিবা যেন হৈ উঠা মন এটাৰ সমান্তৰালকৈ প্ৰতিটো মাহেই অসমীয়া সমাজ জীৱনলৈ কঢ়িয়াই আনে আশা, প্ৰেৰণা কিম্বা উৎসাহ-উদ্দীপনা। এই আশা, প্ৰেৰণা আৰু উৎসাহ-উদ্দীপনাই ভাদ মাহটোক গুৰু বা ঈশ্বৰ বন্দনাৰে ইমান মোহনীয় কৰি তোলে যে সেই দৃশ্য অসমৰ গাঁৱে-ভূঞে, নগৰে-চহৰে আৰু নামঘৰে-নামঘৰে আজীৱন নজহা-নপমাকৈ তাৰ স্মৃতিয়ে সদায়ে আমাক ৰিঙিয়াই থাকিব। ভাদৰ প্ৰথম সংক্ৰান্তিৰ পৰা ভক্তপ্ৰাণ ৰাইজৰ মাজত শেষ সংক্ৰান্তি পৰ্যন্ত পুৱাৰ পৰা ৰাতিলৈকে অব্যাহত থকা নাম-প্ৰসঙ্গৰ ঐক্যতানে মানৱ সাগৰত সৰগীয় পৰিৱেশ ৰচনা কৰে। শংকৰদেৱ-মাধৱদেৱৰ যুগান্তকাৰী অৱদান গীত-বাদ্য, নাম-প্ৰসঙ্গ, নাট-ভাওনাই ভাদ মাহটোক সোণত সোৱগা চৰাই মানৱৰ মাজত সম্প্ৰীতিৰ মজবুত সেতু নিৰ্মাণ কৰিছে। সেয়ে ক'ব পাৰো ভাদ মাহ আমাৰ বাবে সঞ্জীৱনী শক্তি, শান্তিৰ নীড়। শেষত ড^0 ভূপেন হাজৰিকাদেৱৰ এটি গীতৰ কলিৰে সামৰিছোঁ—

"শংকৰ মাধৱৰ মহা সৃষ্টিৰে
উজ্বল লুইতৰে পাৰ।
কতজনে শলাগিলে অসমীয়া লিখনি
পদ্ম গোহাঞি বৰুৱাৰ।"

ফোনঃ 99541-59095

ঈশ্বৰৰ পৃথিৱীখনে মোৰ পথাৰ

ড° ৰুণুমী দত্ত ডেকা

বহু বছৰ পূৰ্বে গমৰ গুটিবোৰ এটা হাঁহকণীৰ সমান ডাঙৰ আছিল। খেতিপথাৰবোৰ ইমান সাৰুৱা আছিল যে পৰিশ্ৰম কৰিলেই তাত শস্য উভৈনদী হৈছিল।

খেতিয়কসকলে যেয়ে য'তে হাল বায় সেয়াই আছিল তেওঁৰ খেতিপথাৰ। বৰ্তমানৰ দৰে কোনো সীমা নাছিল। পৃথিৱীখন উমৈহতীয়া আছিল। কোনেও তাক নিজৰ বুলি নকৈছিল। নিজ হাতে কাম কৰি কৰি যি উপাৰ্জন কৰিছিল তাকেই নিজৰ বুলিছিল। লাহে লাহে খেতিপথাৰবোৰ অসাৰুৱা হৈ আহিল। গোবৰ-জাবৰ দিলেও শস্য ভাল নহয়। বীজবিলাক ক্ৰমশঃ সৰু হৈ আহিল। তথাপি বৰ্তমানতকৈ কিছু ডাঙৰ আৰু ভাল খেতি হৈছিল। বছৰত দুবাৰ খেতি কৰিছিল। ঘৰে ঘৰে গৰু গাই পুহিছিল। মাটিত দ'মে দ'মে গোবৰ পেলাই থৈছিল। কাৰো অভাৱ নাছিল। পৰিয়ালবোৰ বৰ ডাঙৰ আছিল। তথাপি খোৱা-পিন্ধাৰ অভাৱ নাছিল। দৃষ্টিশক্তি কাৰো কমা নাছিল, দাঁত সৰা নাছিল, চুলি পকা নাছিল। মানুহৰ হাত দুখনেই আছিল প্ৰধান সম্বল।

দা, কোৰ, কুঠাৰ, খন্তি, কাঁচি-নাঙল এয়া আছিল যন্ত্ৰ। কঠোৰ শ্ৰম কৰি থকা বাবে মানুহবোৰ নিৰোগী আছিল। দিনৰ হাড়ভগা পৰিশ্ৰমৰ পাছত সন্ধ্যা উঁহোৱা ধানৰ চাউলৰ ভাতসাঁজ খাই সোনকালে শুই পৰিছিল আৰু চাৰে তিনি বা চাৰি বজাতে বিছনা এৰিছিল। বৰ্তমানৰ দৰে মুকলি ঠাই নাছিল। চোতালৰ কাষতে গছ-গছনি ৰুই এখন আশ্ৰমত থকাৰ দৰে মানুহে বসবাস কৰিছিল। ফলত মুকলি বায়ুত, বিশুদ্ধ বতাহত জীৱনৰ শ্বাস লৈ অক্সিজেনত ডুবি আছিল। শৰীৰে অক্সিজেন পোৱা বাবে বৃদ্ধ নহৈছিল। এশ/১২০ বছৰ পৰমায়ু লাভ কৰিছিল। বৃদ্ধসকলে যি পৰিশ্ৰম কৰিছিল— ভাবিলে আচৰিত লাগে। দৃষ্টিশক্তি আৰু শ্ৰৱণশক্তি ইমান শক্তিশালী আছিল যে বেজীত সূতা ভৰাবলৈ ডেকা মানুহ মাতিব নালাগিছিল।

এবাৰ আমি শুনা মতে, এক বৃদ্ধই বহু কিলোমিটাৰ বাট খোজ কাঢ়ি এটা পৰিয়ালত উপস্থিত হৈছিল। সেয়া বৃদ্ধজনৰ ল'ৰাৰ ঘৰ। বৃদ্ধজনে চাইকেল চলাব নাজানে। আনহাতে, চাইকেল তেতিয়াৰ দিনত নাছিল। আহু ধানৰ চিৰাৰ জলপান খাই ১৫/১৬ মাইল ৰাস্তা খোজ কঢ়া ব্যক্তিজন কম মজবুত নে? কিন্তু শুনি আচৰিত হ'ব যে তেওঁৰ ল'ৰাই এডাল লাঠি লৈহে খোজ কাঢ়ে। বুঢ়াৰ হাঁহি উঠিছিল নিজৰ পুতেকৰ অৱস্থা দেখি। তাৰ পাছত বুঢ়া উভতিল। তেওঁ চকুৰেও দেখে; কিন্তু লাঠি লোৱা পুতেকে কমকৈ দেখে। লাঠি লোৱা বুঢ়াজনৰ পুতেক তেওঁৰ ওচৰতে বাস কৰিছিল। তেওঁ দুডাল লাখুটিত ভৰ দি দেউতাকৰ ওচৰলৈ আহিল। চকুৰেও নেদেখে, কাণেৰে নুশুনে আৰু খোজত থৰক বৰক।

এতিয়া আমি বিচাৰ কৰি চাই দেখিলো যে এশ বছৰ আগৰ মানুহজনতকৈ ৫০ বছৰ পূৰ্বৰ মানুহজনৰ শক্তি কম। ২৫ বছৰ আগৰ মানুহতকৈ আজিৰ মানুহৰ শক্তি কম। দাঁত, চকু, কাণ, চুলি সকলো দুৰ্বল। তাৰ কাৰণ আপুনি বুজিলেনে? এশ বছৰ পূৰ্বৰ ব্যক্তিৰ খাদ্য, পৰিৱেশ আৰু পৰিশ্ৰমতকৈ ৫০ বছৰ পূৰ্বৰ, ২৫ বছৰ পূৰ্বৰ মানুহৰ খাদ্য, পৰিশ্ৰম আৰু পৰিৱেশ দুৰ্বল। এশ বছৰ আগত গছ ৰুইছিল, আজি কাটিছে। ৫০ বছৰ পূৰ্বত খেতি কৰিছিল, গৰু-গাই পুহিছিল, মাছ মাৰিব গৈছিল— আজি সেইবোৰ ব্যৱস্থা নাই। বহিছে, বজাৰলৈ গৈছে, কিনিছে মাছখিনি কাটি আনি ঘৰত মাত্ৰ ৰান্ধিছে আৰু খাইছে। এতেকে চকু গৈছে, ছশমা লাগে, কাণ কলা হৈছে, কথা নুশুনে। চুলি সৰি-পকি গৈছে— ৰং সানি দেখাত ডেকা হৈছে। দাঁত সৰিছে, ছুগাৰ বেমাৰত ভুগিছে। গছ কাটি কাটি ঘৰ বান্ধিছে। ক'তো অকণো জিৰাবলৈ ঠাই নাই। ঘাঁহ-বন নাই। দূবৰি বন নাই। টেঙা বেঙেনা নাই বেমাৰ উপশম হ'বলৈ। অক্সিজেনৰ ঠাইত প্ৰদূষণ অৰু এঙাৰ গেছহে আছে।

মানুহৰ আয়ুস ৪০লৈ নামিছে। কাৰণ আমি দেখিছো বৰ্তমান সমাজত মানুহৰ মাজতে অনেক পশু আছে। পশুৱে দয়া, মৰম, ভয় একোকে নুবুজে। লগতে এইসকল লোক অতি নিৰ্দয়। তেনে লোকৰ বাবে হাবি, পানী, পথাৰ আদিৰ কোনো মূল্য নাই। হাবি মানে গছ, গছ অবিহনে মানুহ জীয়াই থকা অসম্ভৱ। পানীয়ে প্ৰাণীৰ জীৱন। পানী নোহোৱাকৈ মানুহ পৃথিৱীত বাস কৰিবই নোৱাৰে। আনহাতে, পথাৰ অৰ্থাৎ কৃষিভূমি, য'ত জীৱন বৰ্তি আছে।

আনহাতে, মানুহে এতিয়া নিজ পৰিশ্ৰমৰ দ্বাৰা জীয়াই থাকিবলৈ এৰিছে। লোকৰ বস্তুৰ ওপৰত জী থাকিব বিচাৰে। ঈশ্বৰকো নামানে, বয়োজ্যেষ্ঠকো নামানে। লগ-সমনীয়াৰ লগতো প্ৰেম-প্ৰীতি ভাব নাই। নিজে নিজৰ গৰাকী। পৃথিৱীত শান্তি আৰু মানুহৰ মংগল হ'ব কেনেকৈ! সৰু ল'ৰা-ছোৱালীৰ নিচিনা হ'ব নোৱাৰিলে ভগৱানৰ অন্তৰ ৰাজ্যত প্ৰৱেশ কৰিব নোৱাৰি। প্ৰেম আৰু সজ কামেৰে ঈশ্বৰৰ ঋণ পৰিশোধ নকৰিলে পৃথিৱীত কোনো সুখ নাই। বহোতে বহোতে, জিৰণিৰ পৰিমাণ বৃদ্ধি হৈছে— ইফালে পৰিশ্ৰম নাই। পঢ়া, ৰন্ধা, খোৱা-পিন্ধা-মাদক দ্ৰব্য গ্ৰহণ কৰা, ধন ঘটা, লোকৰ দ্ৰব্যত লোভ কৰা এয়াই বৰ্তমান কাম। দুডাল লাখুটি লাগিবই। কিছু পৰিশ্ৰম কৰা লোকক এডাল লাখুটি হ'লেই হয়; কিন্তু সম্পূৰ্ণ নিজৰ ওপৰত নিৰ্ভৰ কৰা আৰু পৰিশ্ৰম কৰা লোকৰ লাখুটিৰ প্ৰয়োজন নাই। তেওঁৰ পথাৰখনো ঈশ্বৰৰ। ইমান ঈশ্বৰ বিশ্বাস। ঈশ্বৰে যাৰ লাখুটি হ'ল তেওঁৰ কিহৰ প্ৰয়োজন? পুত্ৰ-কন্যা তেওঁৰ লাখুটি হ'ব নালাগে। আজি ঈশ্বৰ বিশ্বাসতকৈ ধনৰ বিশ্বাস, বিদ্যাৰ বিশ্বাস বেছি। গতিকে ডায়েবেটিছ বেমাৰে পীড়া কৰে। দিনে-ৰাতি ধন আৰু বিদ্যাৰ চিন্তাই ঈশ্বৰক দূৰলৈ লৈ যোৱাত ডাক্তৰৰ ওচৰলৈ যাব লাগে। খাদ্যৰ বিচাৰ নাই— ডাক্তৰে ক'ব নাখাব, তেতিয়া দুদিনমানলৈ নাখায়, পুনৰ খাব ধৰে। ভগৱানৰ পথাৰখন যদি আকৌ গঢ়ি লওঁ, গছ-গছনিৰে ভৰি পৰিলে সেউজ পৃথিৱীত অকৌ গৰম-ঠাণ্ডাৰ ভাৰসাম্য থাকিব। পুনৰ এশ বছৰ পূৰ্বৰ দৰে উশাহ লৈ জীয়াই থাকিব পাৰিম। গতিকে ঈশ্বৰৰ পৃথিৱীখনে আমাৰ খেতি পথাৰ।

ফোন ঃ ৯৮৬৪১-৪৫৯৪০

বানপানীৰ সাধু...!!

চিন্তা নকৰিবলগীয়া চিন্তা

মোজাহিদুল হক

দ্বিতীয়টো বানে ৰাজ্যবাসীক বাৰুকৈয়েই জুৰুলা কৰিলে! পানী কমাৰ পাছত আকৌ তৃতীয়টো বান অহাৰ আশংকাও নথকা নহয়। অভিযোগ মতে, এইবাৰৰ বানত বন্যাক্ৰান্তই পৰ্যাপ্ত পৰিমাণে সাহায্য সামগ্ৰী হেনো পোৱা নাই! অৱশ্যে এইবোৰ অভিযোগহে সত্য নহ'বও পাৰে!! এফালে বানৰ তাণ্ডৱ আৰু খাদ্য সামগ্ৰীৰ নাটনি, তেনেদৰে বিদ্যুতৰো যোগান ব্যাহত। মুঠতে এনেবোৰ সমস্যাৰে ভাৰাক্ৰান্ত বানক্ষতিগ্ৰস্তসকলক যথেষ্ট হতাশ কৰি তোলা পৰিলক্ষিত হৈছে। এই ঘটনা চক্ৰ সন্দৰ্ভত কেইটামান চিন্তা নকৰিবলগীয়া চিন্তা নিশ্চয় এনে ধৰণৰেই হ'ব...!!!

ঃ অ' ককা...!

ঃ কি হ'ল আকৌ তোৰ...! পেনপেনাই আছ কিয়?

ঃ নহয় মানে ককা, ব'ৰ লাগিছে আকৌ!

ঃ মনে মনে শুই নাথাক কিয়?

ঃ লাইট নাই নহয় ককা... বৰ গৰম লাগিছে আকৌ!

ঃ হেৰৌ, আমাৰ তিনিপুৰুষ গ'ল লাইন নোহোৱাকৈ আৰু তহঁতে জন্মিয়েই লাইনৰ তাঁৰকেইডাল দেখিয়েই গৰম লগা হৈ গ'ল নহয়।

ঃ তাঁৰ কেইডাল দেখিলে কি হ'ব ককা...? লাইনেই নাথাকে দেখোন!

ঃ হ'বদে সেইবোৰ বলকি থাকিব নালাগে, এতিয়া মনে মনে শুই থাক

ঃ অ' ককা...!

ঃ কি হ'ল আকৌ তোৰ!

ঃ অ' ককা, সাধু এটা কোৱানা...! ব'ৰ লাগিছে অ'!

ঃ চাৰিওফালে বানপানী, পাব্লিকৰ অৱস্থাই নাই, তোক আকৌ কিহৰ সাধু শুনিবলৈ লাগে অ'??

ঃ কিবা কিবি কৈ থাকানা ককা!

ঃ শুন তেনেহ'লে...

ঃ ককা... পুৰণি লেকচাৰ মাৰা সাধুবোৰ নক'বা কিন্তু, শুনি শুনি ব'ৰ হৈ গৈছো দেই!

ঃ কিনো পুৰণি ক'লো তোক অ'...!

ঃ সেইবোৰ নক'বা দেই আকৌ।

ঃ কোনবোৰ অ'...

ঃ সেই যে ৰজাই ফুৰিবলৈ যোৱাৰ কথা! যুদ্ধ লাগো লাগো হৈ থকাৰ কথা...!

ঃ হেৰৌ সেইবোৰেই আচল সাধু বুইছ!

ঃ কিয় ককা...?

ঃ যিবোৰ বস্তু সদায় শুনিলেও ব'ৰ নালাগে সেইবোৰকেই সাধু বুলি কয় আকৌ!

ঃ হ'ব দিয়া ককা... যি মন যায় কৈ যোৱা।

ঃ কিয়?

ঃ মই শুনিবহে লাগে তোমাৰ লেকচাৰ আৰু সময় কটাব লাগে গতিকে সেইবোৰ লৈ চিন্তা কৰি কিবা আছে জানো?

ঃ তেনেকৈ যদি ভাবিছ, তেনেহ'লৈ সাধু শুনিবলৈ কামুৰি আছ কিয়?

ঃ নহয় মানে ককা... টাইম পাছ আকৌ!

ঃ হুম্!

ঃ কোৱা আকৌ ককা—!

ঃ শুন তেনেহ'লে...

ঃ কোৱা...!

ঃ এবাৰ এখন দেশত বিৰাট বানপানী হ'ল বুইছ—

ঃ দেশখন মানে আমাৰ অসমৰ নিচিনা নেকি ককা...

ঃ হেৰৌ শুনি যা চোন আগতেই কমেণ্টবোৰ নকৰিবিচোন!

ঃ কিয় ককা?

ঃ শুনি যাচোন...

ঃ কৈ যোৱা ককা...

ঃ বানপানী হ'ল মানে একদম সাংঘাতিক বানপানী

ঃ তাৰ পাছত ককা কি হ'ল?

ঃ বানপানীত সকলো মানুৰ ঘৰ-খেতিপথাৰ বুৰ গ'ল। খাবলৈ একো নাইকিয়া হৈ পৰিল।

ঃ তাৰ পাছত...

ঃ তাৰ পাছত মানুহবোৰৰ বৰ কষ্ট হ'ল

ঃ কিয় ককা? ৰজাই মানুহবোৰক খাবলৈ নিদিলে নেকি?

ঃ নাই... নাই... ৰজাৰ খবৰেই নাছিল আকৌ...

ঃ মানুহবোৰে খঙত গৰম হৈ যোৱা নাছিল নেকি ককা?

ঃ গৰম হৈ কি কৰিব, একো উপায়েই নাছিল আকৌ—

ঃ তাৰ পাছত ককা...

ঃ তাৰ পাছত আৰু কি হ'ব... যি য'ত পাইছিল তাকেই খাই কোনোমতে জীয়াই থাকিছিল বুইছ...!

ঃ বৰ ভাল লগা নাই ককা সাধুটো...

ঃ কিয়?

ঃ আমি দেখোন সৰুৰে পৰাই বানপানী দেখিয়েই আছো। বানপানী নহয়নো ক'ত। আমেৰিকাতো হয়, জাপানতো হয় আৰু আমাৰ ইয়াতো হয়। গতিকে সেই পুৰণিকলীয়া সাধুবোৰ নুশুনো নেকি?

ঃ নুশুন যদি মনে মনে শুই থাক। কেপকেপাই নাথাকিবি!

ঃ অ' ককা—

ঃ ক'...

ঃ বানপানী কিয় হয় বাৰু?

ঃ বাৰিষা বানপানী হয় আকৌ... এয়া প্ৰকৃতিৰ নিয়ম...।

ঃ অ' নহয়, মই ভাবিছিলো কি যে ভেঁকুলীৰ বিয়া পাতিলেই বানপানী আহে বুলি।

ঃ নহয় অ' বিশ্বাস আছে যে খৰাং হ'লে ভেঁকুলীৰ বিয়া পাতিছিলে পানী হয় বুলি।

ঃ তেনেহ'লে ককা...

ঃ কি?

ঃ বানপানী হ'লে বিয়া পতা ভেঁকুলীবোৰো ডিভোৰ্চ কৰাই নিদিয়ে কিয়?

ঃ হেৰৌ আং-বাং বকি নাথাকিবিচোন...।

ঃ কিয় ককা...?

ঃ তই আজি-কালি বৰ কথা ক'বলৈ লৈছেদেই!

ঃ মানে পলিটিকেল পাৰ্টিৰ স্পোকছমেনবোৰৰ দৰে নেকি ককা...?

ঃ আকৌ...!

ঃ নহয় মানে ককা, লাইট নাই যে ব'ৰ হৈ আছো, টিভিও চাব পৰা নাই যে। সেই কাৰণেই আকৌ!

ঃ আহিব লাইন আৰু তই টিভি চাবি! হেৰৌ কেতিয়া আহিব গম পাৱনে?

ঃ নাজানো ককা...?

ঃ কেতিয়া আহে কোনোৱেই ক'ব নোৱাৰে!



আৰু লাইন আহিলেও কিডালনো হ'ব?

ঃ কিয় ককা?

ঃ ছিঙি থকা লাইনত লাগি দেখোন মানুহবোৰ হোৱাহোৱে মৰিয়েই আছে!

ঃ সেইবোৰ কপালৰ লিখন ককা...। দোষ অইন কাৰো নাই নহয়।

ঃ কথা ক'বলৈ আহিছ তই!

ঃ কিয় ককা... ছিগা লাইন দেখিলে সেইফালে নগ'লেই হ'ল আকৌ। তেতিয়াতো মৰাৰ চান্স নাথাকেই!

ঃ নেদেখিলে আকৌ!

ঃ চাৰে চাৰি লাখকৈ লগে লগে যে পাই যায়, কেনেকৈ ককা?

ঃ হুম্!

ঃ সেইকেইটা মানুহৰেই ভাগ্য ভালদেই ককা...!!

ঃ হ'বদে, তই সাধু শুনিবি নে মোক লেকচাৰ শুনাই থাকিবি?

ঃ নহয় অ' ককা...

ঃ কি?

ঃ এইবোৰ তোমাৰ আৰু মোৰ মাজৰ ছিম্পল ডিছকাছন আকৌ!!

ঃ থ'... হ'বদে!

ঃ অ' ককা...?

ঃ কি হ'ল আকৌ...?

ঃ বানপানী কিয় আহে বাৰু?

ঃ বাৰিষা কালত বানপানী আহেই আকৌ!

ঃ কেনেকৈ আহে কোৱা না?

ঃ নদী, খাল বিলবোৰ পানীৰে ওপচি পৰে আকৌ!

ঃ ঠাণ্ডা দিনত পানীবোৰ ক'লৈ যায় ককা?

ঃ বৰফ হৈ জমা হৈ থাকে আকৌ!

ঃ ক'ত থাকে ককা?

ঃ পাহাৰত আকৌ।

ঃ তেতিয়া সেইবোৰ পানী হৈ নাহে কিয়?

ঃ হেৰৌ তই যে মিনিষ্টাৰ এম এল এবোৰৰ দৰে কথা সুধিবলৈ লৈছ... কিয়?

ঃ নহয় মানে শুনি শুনি শিকিছো আকৌ ককা?

ঃ ক'ত শুনি শুনি শিকিলি আকৌ...?

ঃ টিভিবিলাকত দেখুৱায়ে থাকে যে।

ঃ অনবৰতে টিভিটো চাই থাকিবি আৰু বেলেগ কথা ক'ত শিকিবি?

ঃ বাৰু এটা কথা কোৱাচোন ককা?

ঃ কি কথা?

ঃ এই যে টিভিবোৰত মানুহ কিছুমানে ইমান কথাবোৰ কৈ থাকে, সিহঁতে বাৰু সকলো সময়তেই এনেদৰে কথা কয়নে?

ঃ নাজানো দেই! কোনে ক'ত কি কয়, সেইবোৰ চাই থাকিবলৈ ইমান সময় নাই অ'!

ঃ অ' ককা...

ঃ ক', কি হ'ল আকৌ?

ঃ ককা... বানপানীৰ সময়ত মানুহবোৰে কি খায় বাৰু?

ঃ কেএঃাৰ গোলাৰ পচা চাউল আৰু শুকান চিৰা।

ঃ সেইবোৰ ক'ত পায় ককা?

ঃ সেইবোৰ বছৰ বছৰ ধৰি গোলাত পৰি থাকে। সেইবোৰকেই ৰিলিফ বুলি কয় বুইছ!

ঃ সেইবোৰ পইচা দি কিনিব নাপায় নেকি বাৰু?

ঃ সেইবোৰ বস্তু বছৰত এবাৰেই পায়।

ঃ পইচাবোৰ কোনে দিয়ে বাৰু?

ঃ সেইবোৰ বহুত কথা অ', তই এতিয়াই নুবুজিবি দে!!

ঃ অ' ককা...

ঃ কি হ'ল অ' তোৰ?

ঃ ককা, বছৰটোত বানপানী কেইবাৰ আহে বাৰু?

ঃ একো ঠিক নাই! প্ৰকৃতিৰ কথা আকৌ...

ঃ ককা, দেশৰ ৰজা-মহাৰজাসকলে বানপানী বন্ধ কৰিব নোৱাৰেনে?

ঃ কেনেকৈ পাৰিব? প্ৰকৃতিৰ ওচৰত সকলো অসহায় বুইছ!!

ঃ অ' তাৰ মানে নোৱাৰে ন' ককা!!

ঃ হ'বদে! তই সেইবোৰ কথা চিন্তা কৰিব নালাগে! ভালকৈ পঢ়া-শুনা কৰি থাক।

ঃ ককা—

ঃ কি হ'ল তোৰ?

ঃ মানে ককা... স্কুলত দেখোন মানুহবোৰে থাকিবলৈ লৈছে। স্কুল কেতিয়া খুলিব তাৰো কোনো ঠিক-ঠিকনা নায়েই দেখোন।

ঃ পানী কমিলেই খুলিব অ'!

ঃ গোটেই বছৰ যদি বানপানী হ'লে কিমান মজা লাগিব ন' ককা...।

ঃ মানুহমখাৰ যে কি দুৰ্গতি হ'ব সেইটো খবৰ ৰাখিছনে?

ঃ কিয় ককা...? ৰিলিফ পাব নহয়! আৰামত চলি যাব।

ঃ তাৰ পাছত? খেতিবাতি নহ'লে কেনেকৈ চলিব মানুহবোৰে?

ঃ সেইবোৰ তুমি, মই চিন্তা কৰি কিডাল হ'ব ককা? চৰকাৰে চিন্তা কৰিব নহয়!

ঃ অ'...!

ঃ অ' ককা...

ঃ কি হ'ল?

ঃ মানে ককা, ৰিলিফত বাৰু তামোল-পাণ দিয়েনে?

ঃ কিয় সুধিলি?

ঃ নহয় মানে ককা...। তামোল-পাণ খোৱা অভ্যাস থকাকেইজনৰ আকৌ নহ'লে বৰ দুৰ্গতি হ'বযে?

ঃ হেৰৌ মানুহে খাবলৈকেই নাপায় আৰু তই তামোল-পাণৰ কথা কৈছ...।

ঃ অ' ককা...।

ঃ কি?

ঃ বানপানীৰ সময়ত বোলে পহুৰ মাংসও পায়, হয়নে?

ঃ অ' কোনোৱা কোনোৱা বেয়া মানুহে অসহায় বন্য জীৱ-জন্তুক ধৰি বধ কৰে কেতিয়াবা। সেইটোৰেই!

ঃ অ' ককা।

ঃ কি?

ঃ তুমি পহুৰ মাংস খাই পাইছানে?

ঃ নাই! সেইবোৰ নাপায় অ'!

ঃ মানে ককা... ডাঙৰ ডাঙৰ মানুহবোৰে হেনো মনে মনে পহুৰ মাংস খায় বোলে।

ঃ নাজানো দেই!

ঃ ককা...

ঃ কি?

ঃ এই বানপানীবোৰ একদম বন্ধ কৰি দিব নোৱাৰিনে?

ঃ হেৰৌ এইবোৰ প্ৰকৃতিৰ নিয়ম! বান নাহিলে খেতিবাতিও ভালকৈ নহয় বুইছ!

ঃ অ'!

ঃ বুজিলি...!!

ঃ ককা...

ঃ কি?

ঃ ব্ৰহ্মপুত্ৰ নদীক খান্দি বোলে এইবাৰ বানপানী কমাব পৰাৰ ব্যৱস্থা কৰা হৈছে!

ঃ হ'বদে তই ইমান ডাঙৰ কথাবোৰ ভাবিব নালাগে দে...।

ঃ কিয় ককা?

ঃ হেৰৌ আদা বেপাৰীয়ে জাহাজৰ খবৰ লৈ কি লাভ?

ঃ বুজি নাপালো ককা...।

ঃ ভালকৈ অসমীয়া কিতাপবোৰ পঢ় সিকি যাবি!

ঃ স্কুলত দেখোন মাষ্টৰে আমাক পঢ়িবলৈ দি শুয়েই থাকে। একো নিশিকায় দেখোন!

ঃ সেইটো মাষ্টৰক ক'বি!

ঃ মাষ্টৰবোৰে বোলে সময় নাপায় বুলি কয় ককা!

ঃ এই নহ'বনো কিয়?

ঃ মানে ককা?

ঃ এটা মাষ্টৰকে যদি এন আৰ চিৰ কামো দিয়ে, ভোটাৰ লিষ্টৰ কামো দিয়ে, ৰেছন কাৰ্ডৰ কামো দিয়ে, স্কুলত ভাতো বনাব দিয়ে, দুনিয়াৰ সকলো কামতে লগায় তেতিয়া মাষ্টৰে ক'ত সময় পাব বাৰু? কথাটো নোহোৱাও নহয়দে।

ঃ অ' ককা...

ঃ কি?

ঃ সেই কাৰণেই চাগৈ আমাৰ ছাৰবোৰে স্কুল আহি কেৱল টোপনিয়েই মাৰিবলগীয়া হয়।

ঃ হেৰৌ মাষ্টৰক যদি বান সাহায্যৰ বস্তু বিলোৱাতো লগায় তেনেহ'লে আৰু ক'ত সময় পাব বুইছ!

ঃ মুঠতে এটা কথাই বুজিলো ককা...

ঃ কি?

ঃ এই বানপানীৰ কাৰণেই সকলো সমস্যাৰ সৃষ্টি হৈছে নহয়নে?

ঃ কেনেকৈ?

ঃ মানে ককা... বছৰত দুই-তিনিবাৰকৈ বানপানী অহাৰ বাবেই সকলোৰে একদম সময় নোপোৱা হৈছে চাগৈ! সেই কাৰণেই!

ঃ হ'বদে আৰু লেকচাৰ!

ঃ আৰু নুশুনো দেই ককা! তোমাৰ সাধুটো বুজি পালো দেই!!